# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

০০০০০

জম্মু-কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰতিগৰাকী ভাৰতীয়ই নিজৰ আপোনজনক হেৰুওৱাৰ দৰে পীড়া অনুভৱ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জম্মুৰ বেইচ্‌ৰণ বনাঞ্চলত আজি সুৰক্ষা পৰিস্থিতিৰ বুজ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে অঞ্চলটোত কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গক এইবুলি আশ্বাস দিয়ে যে নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা সন্ত্ৰাসবাদীসকলক কোনো কাৰণতে ৰেহাই দিয়া নʼহব। ভাৰতে সন্ত্ৰাসবাদীৰ ওচৰত শিৰনত নকৰে বুলি তেওঁ উল্লেখ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে এই কাপুৰুষালিভৰা আক্ৰমণৰ সৈতে জড়িতসকলক ৰেহাই দিয়া নহʼব। ইয়াৰ পূৰ্বে শ্ৰীশ্বাহে শ্ৰীনগৰৰ আৰক্ষী নিয়ন্ত্ৰণ কক্ষত নিহতসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁ লগতে আক্ৰমণত আহত হৈ অনন্তনাগৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈ থকাসকলৰ স্বাস্থ্যৰ বুজ লয়। কালি পহলগামত সংঘটিত এই সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬গৰাকী পৰ্যটকে প্ৰাণ হেৰুৱাইছে। নিহতসকলৰ ভিতৰত বায়ুসেনা বাহিনীৰ কৰ্পোৰেল অৰুণাচল প্ৰদেশৰ টাগে হাইলিয়াঙো আছে। নিহত সকলৰ মৃতদেহ বিশেষ বিমানেৰে শ্ৰীনগৰৰ পৰা তেওঁলোকৰ নিজ নিজ গাঁৱলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষীয়ে তিনিজন আক্ৰমণকাৰীৰ স্কেট্‌ছ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এয়ে এই আক্ৰমণৰ তদন্তত দায়িত্ব গ্ৰহণ কৰিছে।

ইপিনে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে চৰকাৰে পহলগাম আক্ৰমণৰ বাবে জগৰীয়াসকলক যোগ্য প্ৰত্যুত্তৰ দিবলৈ চেষ্টাৰ কোনো ত্ৰুটি নকৰে। বায়ুসেনা বাহিনীয়ে নতুন দিল্লীত আয়োজন কৰা বাহিনীটোৰ মাৰ্শ্বেল অৰ্জন সিং স্মাৰক বক্তৃতা প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ লোৱা হʼব।

০০০০০

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে। ৰাজ্যত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুয়ে কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণ কৰাৰ কথা আছিল। ২৫ এপ্ৰিলত ৰাষ্ট্ৰপতিগৰাকী উপস্থিত থাকিবলগীয়া শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কাৰ্যসূচীও পিছুৱাই দিয়া হৈছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে অনিবাৰ্য কাৰণবশত শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠান পিছুৱাই দিয়া হৈছে বুলি প্ৰকাশ কৰিছে। অৱশ্যে একেটা দিনতে ৰাষ্ট্ৰপতি

উপস্থিত থাকিবলগীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠান ৰাষ্ট্ৰপতিৰ অনুপস্থিত স্বত্বেও সূচী অনুসৰিয়ে অনুষ্ঠিত হ'ব।

০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৮ গৰাকী নিৰীহ লোক নিহত হোৱাৰ ঘটনাক গৰিহণা দি আজি শিৱসাগৰ নাগৰিক সমাজে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শিৱসাগৰৰ দৌলমুখ চাৰিআলিত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে নাগৰিক সমাজে নাগৰিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে হত্যা-হিংসা বন্ধ কৰাৰ দাবী জনায়।

ৰাজ্যিক বিজেপিৰ সভাপতি তথা লোকসভাৰ সাংসদ দিলীপ শইকীয়াই পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক কাপুৰুষালী আখ্যা দি চৰকাৰক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০

ৰাজ্যত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত মুখ্যমন্ত্ৰীগৰাকীয়ে টীয়কৰ ৰজাবাৰী খেলপথাৰ আৰু সৰুপথাৰৰ ধোন্দাচাম ক্ৰীড়া সন্থা খেলপথাৰত দুখনকৈ নিৰ্বাচনী সভাত ভাগ লয়। সৰুপথাৰত নিৰ্বাচনী সভাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বিৰোধীক তীব্ৰ সমালোচনা কৰাৰ লগতে এইবাৰ পঞ্চায়ত নিৰ্বাচনত এন ডি এ সমৰ্থিত সকলো প্ৰাৰ্থীয়ে জয়লাভ কৰিব বুলি মন্তব্য কৰে। একেখন সভাতে মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছ সাংসদ গৌৰৱ গগৈকো তীক্ষ্ণ ভাষাৰে সমালোচনা কৰি সাংসদগৰাকীয়ে শত্ৰুৰ ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক থকা বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি মাজুলীৰ ডেকা শেনছোৱাত ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থীসকলৰ প্ৰচাৰৰ উদ্দেশ্যেৰে আন এখন প্ৰচাৰ সভাত ভাগ লোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে মাজুলীত উপস্থিত হ'ব নোৱাৰিলে। মুখ্যমন্ত্ৰীগৰাকীয়ে  ফোনযোগে উপস্থিত জনতাক সম্বোধন কৰি যোৰহাট-মাজুলী দলঙৰ নিবিদা আহ্বানৰ প্ৰক্ৰিয়া মে' মাহৰ ভিতৰতে সম্পূৰ্ণ হ'ব বুলি প্ৰকাশ কৰে। ৰন্ধন গেছ চিলিণ্ডাৰৰ দাম কেইমাহমানৰ ভিতৰতে ২০০ৰ পৰা ৩০০ টকা হ্ৰাস কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়তৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ প্ৰচাৰৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৰছলাত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাপতিগৰাকীৰ সৈতে শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জীত দত্ত আৰু বৰছলা সমষ্টিৰ বিধায়ক গণেশ লিম্বুয়েও প্ৰচাৰ সভাত ভাগ লয়।

০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট চন্দ্ৰ কমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ত আজি যোৰহাট নিৰ্বাচনী জিলা দ্বিতীয় পৰ্যায়ৰ মহিলা প্ৰিজাইডিং বিষয়া আৰু প্ৰথম প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হয়। প্ৰশিক্ষকসকলে নিৰ্বাচনৰ নীতি-নিৰ্দেশনা তথা বেলট বাকচ ব্যৱহাৰ সন্দৰ্ভত প্ৰশিক্ষণ দিয়ে। এই প্ৰশিক্ষণ কাৰ্যসূচীতে প্ৰথম পৰ্যায়ত প্ৰশিক্ষণ ল'বলৈ বাদ পৰি ৰোৱা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলকো অন্তৰ্ভুক্ত কৰা হয়।

ডিব্ৰুগড় জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি এখন সভা অনুষ্ঠিত হয়। সভাখনত জিলা আয়ুক্তগৰাকীয়ে বিভিন্ন কোষৰ মুৰব্বী সকলৰ পৰা নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। লগতে বেলট পেপাৰ ছপোৱা, কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ভোটগ্ৰহণ কেন্দ্ৰৰ তথ্য আৰু উপলব্ধ সা-সুবিধা, ভোটগ্ৰহণৰ বাবে যাৱতীয় সা-সামগ্ৰী বিতৰণ আদি সম্পৰ্কে বিতংভাৱে আলোচনা কৰে।

০০০০০

অইল ইণ্ডিয়া লিমিটেডৰ কৰ্পৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ দ্বাৰা পৰিচালিত আৰ্থিকভাৱে দুৰ্বল মেধাৱী শিক্ষাৰ্থীসকলক অইল প্ৰজ্ঞান ছুপাৰ-থাৰ্টিৰ জৰিয়তে অভিযান্ত্ৰিক সংযুক্ত প্ৰৱেশ পৰীক্ষা চমুকৈ JEE আৰু চিকিৎসা মহাবিদ্যালয়ৰ প্ৰৱেশৰ নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা চমুকৈ NEET-ৰ বাবে বিনামূলীয়া আৱাসিক শিক্ষা প্ৰদান কৰি আহিছে। চলিত বৰ্ষত ডিব্ৰুগড় কেন্দ্ৰটোৰ পৰা JEE-ত অৱতীৰ্ণ হোৱা ৩০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২৮ গৰাকীয়ে উত্তীৰ্ণ হৈ কেন্দ্ৰটোৱে সুনাম কঢ়িয়াই আনিছে। এইবাৰ সফলতা লাভ কৰা আটাইকেইগৰাকী শিক্ষাৰ্থীক ডিব্ৰুগড়ত শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে প্ৰজ্ঞান ছুপাৰ-থাৰ্টিৰ জৰিয়তে ৰাজ্য তথা দেশৰ কেইবাটাও কেন্দ্ৰত অইল ইণ্ডিয়া লিমিটেডে বিনামূলীয়া শিক্ষা দি আহিছে।

০০০০০

সমাপ্ত